...অদ্ভুত ভাৱে আকৌতেই মান তৃতীয়বাৰৰ কাৰণে অসম আক্ৰমণ কৰি দেশখন ছিন্ন-ভিন্ন কৰি পেলালে। অসংখ্য মানুহে মৃত্যুবৰণ কৰিলে আৰু বাকীসকলে হাবি-জংঘলৈ পলাই গৈ আত্মৰক্ষা কৰিবলৈ সক্ষম হ'ল। নিৰ্মলৰ অনুপস্থিতিত অসহায়া ৰূপহীৰ প্ৰাণ আৰু মান অতি সযতনে ৰক্ষা কৰিলে তাইৰ বাল্য সহচৰ আৰু নীৰৱ প্ৰেমিক অনিৰামে। মনে মনে ৰূপহীক আন্তৰিকভাৱে ভাল পোৱা অনিৰামে প্ৰতীক্ষা কৰি আছিল সেই শুভদিনলৈ, যিদিনা ভাগ্য সুপ্ৰসন্ন হৈ তাৰ অন্তৰৰ অন্তৰতম কামনা সফল হ'ব আৰু ৰূপহীক পত্নীৰূপে গ্ৰহণ কৰিব পাৰিব। ইফালে পতিপ্ৰাণা ৰূপহীয়ে নিৰ্মলৰ বাবে বাট চাই অধীৰ আগ্ৰহেৰে কালাতিপাত কৰিব ধৰিলে। তাইৰ গভীৰ প্ৰত্যয় আছিল যে নিৰ্মল এদিন উভতি আহিবই। কিন্তু বাৰ বছৰ অতিক্ৰান্ত হোৱাৰ অন্ততো যেতিয়া নিৰ্মলৰ প্ৰত্যাগমন নঘটিল তেতিয়া গাঁৱৰ সমাজপতিসকলৰ নিৰ্দেশ আৰু আগ্ৰহত ৰূপহীয়ে অনিৰামৰ লগত বিবাহ বন্ধনত আবদ্ধ হ'ব লগা হ'ল।

ভাগ্যই ৰূপহী আৰু নিৰ্মলৰ লগত এক অদ্ভুত খেল খেলিলে। চৈধ্য বছৰৰ অন্তত বন্দীদশাৰ পৰা মুক্ত হৈ নিৰ্মলে আপোন গাঁওলৈ প্ৰত্যাৱৰ্তন কৰি দেখিলে গাঁওখন পৰিত্যক্ত আৰু ধ্বংসপ্ৰায় হৈ পৰি আছে। প্ৰায় জনমানৱশূন্য নিৰ্জন গাঁওত ঘূৰি ঘূৰি তেওঁ মাতৃভূমিৰ ধ্বংসলীলা প্ৰত্যক্ষ কৰিলে। সন্ন্যাসীৰ ছদ্মবেশ লৈ চতুৰ্দিশে পৰিভ্ৰমণ কৰি মানুহৰ অসীম দুখ-দুৰ্দশাৰ সম্ভেদ ল'লে আৰু শুনিলে ৰূপহী-অনিৰামৰ বিবাহবাৰ্তা আৰু সিহঁতৰ পুত্ৰসন্তান লাভৰ কাহিনী। অন্তৰত তীব্ৰ হাহাকাৰ লৈ তেওঁ এদিন গোপনে গৈ সিহঁতৰ সুখৰ সংসাৰ প্ৰত্যক্ষ কৰিলে আৰু শেষত সকলো পাৰ্থিৱ বন্ধন ছিন্ন কৰি নিৰ্মল আতৈত পৰিণত হ'ল। ইয়াৰ পিছত শতাধিক বৰ্ষ জীয়াই থকাৰ অন্তত তেওঁ শান্তিৰে মৃত্যুবৰণ কৰিলে। তেওঁৰ মৃত্যুৰ সময়ত ৰূপহী আৰু অনিৰামে সকলো কথা জানিব পাৰিলে আৰু নিৰ্মলৰ শেষকৃত্যত অংশগ্ৰহণ কৰি নীৰৱে অশ্ৰুপাত কৰিলে।

আগতেই উল্লেখ কৰা হৈছে যে প্ৰকৃতাৰ্থত 'নিৰ্মল ভকত' ঐতিহাসিক উপন্যাস নহয়। কিয়নো কাহিনী বা চৰিত্ৰৰাজিৰ কোনো ঐতিহাসিক ভিত্তি নাই। ঐতিহাসিক কোনো ঘটনা বা চৰিত্ৰৰ প্ৰত্যক্ষ প্ৰভাৱো আমি দেখা



নাপাওঁ। কিন্তু তথাপি পটভূমি ঐতিহাসিক হোৱা কাৰণে জাতীয় জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে সমালোচক আৰু গৱেষক নন্দ তালুকদাৰে কৈছে ঃ।

"প্ৰথম চোৱাত ৰজাঘৰীয়া খাম-খেয়ালী আৰু গৃহবিবাদৰ খাম-খুমীয়াত কিদৰে স্বাধীনতা-ৰবি অসমীৰ বুকুৰ পৰা চিৰদিনৰ বাবে মচ খালে তাৰ এখনি চিত্ৰ দাঙি ধৰিছে। একেবাৰে ওপৰাওপৰিকৈ তিনিবাৰ হোৱা মানৰ আক্ৰমণত হোৱা অত্যাচাৰ আৰু দুখ-দুৰ্গতিৰ চিত্ৰখনিও স্পষ্ট।.........এই বৰ্ণনাসমূহ কোনোটোৱেই বিস্তৃত নহয়, থুলমূলহে। উপন্যাসৰ সত্যাসত্য বা পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত এনে বৰ্ণনা থুলমুল হ'লেও অপৰিহাৰ্য।" ('ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ'— অসম সাহিত্য সভা ঃ পৃঃ ৫৫ )

উপন্যাসখনৰ শেষৰ ফালে লিখকে কেইটামান অধ্যায় সংযুক্ত কৰিছে য'ত গুৰু-কৰণৰ আৱশ্যকতা, গুৰুৰ পৰিচয়, ব্ৰহ্মচৰ্য তত্ত্ব, গাৰ্হস্থ্য আৰু কেৱলীয়া জীৱনৰ পাৰ্থক্য আদি বিষয়ৰ বিশদ আৰু পাণ্ডিত্যপূৰ্ণ আলোচনা উপস্থাপিত কৰা হৈছে। মূল কাহিনীৰ লগত এইবোৰ অধ্যায়ৰ একো সম্পৰ্ক নাই আৰু সেয়েহে লিখকৰ নিজস্ব কিছুমান ভাব বা ধৰ্মবিশ্বাস প্ৰচাৰ কৰাৰ বাহিৰে আন কিবা উদ্দেশ্য সাধিত হৈছে বুলি ক'ব নোৱাৰি। ড° শৰ্মাই কৈছে যে এই অধ্যায়বোৰ উপন্যাসখনৰ সৌন্দৰ্য বৃদ্ধিত বিন্দুমাত্ৰও সহায় কৰা নাই। কিয়নো সেইবোৰক লিখকে প্ৰকৃতৰূপে কাহিনীৰ অঙ্গীভূত কথাৰূপে দেখুৱাব পৰা নাই। এইবোৰ আলোচনা সাধাৰণ পাঠকৰ কাৰণে যথেষ্ট আমনিদায়কো হৈছে।

আন এটা অবান্তৰ বিষয়ৰ অৱতাৰণা কৰা হৈছে এই উপন্যাসখনত। এনে অবান্তৰ এটা বিষয় হ'ল নিৰ্মলৰ সুদীৰ্ঘ সময়ৰ এটা জীৱনকাল সামৰি লোৱাটো। ড° শৰ্মাই ইয়াৰ সমলোচনা কৰি কৈছে যে ৰূপহী আৰু অনিৰামক যদি নিৰ্মলৰ শেষকৃত্যানুষ্ঠানত উপস্থিত থকা দেখুৱাব খুজিছিল, তেনেহ'লে নিৰ্মলৰ মৃত্যুও অন্ততঃ আৰু কুৰি বছৰ আগতেই সংঘটিত কৰাব লাগিছিল। নিৰ্মলক ইমান দীৰ্ঘকাল জীয়াই থকা দেখুৱাই লিখকে প্ৰকৃততে কি প্ৰমাণ কৰিব বিচাৰিছে বা তেওঁৰ কি বিশেষ উদ্দেশ্য সাধিত হৈছে— পাঠকে তাক উপলব্ধি কৰিব নোৱাৰে।